# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

ৰাজ্যৰ প্ৰায় চাৰি লাখ চাহ জনগোষ্ঠীৰ পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰী সভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চাহ জনগোষ্ঠীৰ লোকসকলক বাগিচাৰ লাইনৰ মাটিৰ পট্টা দিয়াৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰি এই সম্বন্ধীয় প্ৰস্তাৱত নীতিগতভাৱে অনুমোদন জনোৱা হয়। কাইলৈ জিলা আয়ুক্তসকলৰ সৈতে এই সন্দৰ্ভত বৈঠক অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে। মন্ত্ৰীসভাই মৰাণ, মটক আৰু চাহ জনগোষ্ঠীৰ লোকসকলক জনসংখ্যা নীতিৰ আওতাৰ পৰা আঁতৰাই ৰখাৰ সিদ্ধান্তত অনুমোদন জনায়। জনসংখ্যা নীতি অনুসৰি দুটাতকৈ অধিক সন্তান থকা লোকে চৰকাৰী চাকৰি লাভ কৰিব নোৱাৰে অথবা পঞ্চায়ত নিৰ্বাচন খেলিব নোৱাৰে। মন্ত্ৰীসভাৰ বৈঠকত চাহ শ্ৰমিক আৰু মৰাণ, মটক সম্প্ৰদায়ৰ লোকসকলক এই নীতিৰ পৰা ৰেহাই দিয়াৰ সিদ্ধান্ত লোৱা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যিক মন্ত্ৰীসভাই শিক্ষকৰ কল্যাণ সুনিশ্চিত কৰণৰ বাবে অসম প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় শিক্ষক (নিযুক্তি আৰু বদলি নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনায়। এই সংশোধনীৰ অধীনত ১২ হাজাৰ ঠিকাভিত্তিক শিক্ষকক নিয়মীয়াকৰণৰ বাবে আবেদনৰ অনুমতি প্ৰদান কৰা হ'ব।

ooooooo

ধেমাজি জিলাৰ গোগামুখত কালিৰে পৰা মিচিং ক্ৰীড়া মহোৎসৱৰ তৃতীয় সংস্কৰণ অনুষ্ঠিত হৈছে। মিচিং জনগোষ্ঠীৰ পিছপৰা গ্ৰামাঞ্চলৰ প্ৰতিভাবান খেলুৱৈসকলক ৰাজ্যিক-আন্তঃৰাজ্যিক পৰ্যায়ৰ লগতে বিশ্ব দৰবাৰতো এখন মঞ্চ প্ৰদানৰ অৰ্থে আয়োজিত এই ক্ৰীড়া মহোৎসৱত ৰাজ্যৰ ১৭ খন জিলাৰ ৩ হাজাৰ নিৰ্বাচিত খেলুৱৈয়ে বিভিন্ন খেলত অংশ ল'ব। ক্ৰীড়া মহোৎসৱৰ শুভাৰম্ভণি অনুষ্ঠানত কালি শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তিনিটা নাহৰ গছৰ পুলি ৰোপণ কৰা হয়। ধেমাজি জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৱিৰে গেমছ ভিলেজৰ আদৰণি তোৰণ মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, লোকসভাৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মহোৎসৱত ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন খেলুৱৈ অম্লান বৰগোহাঁই আৰু ৰুণজুন পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকে। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত প্ৰতিযোগিতাখন গোগামুখ মহাবিদ্যালয় খেলপথাৰ, গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, জংকী পানৈ উচ্চ মাধ্যমিক বিদ্যালয় আৰু গোগামুখ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল-পথাৰত অনুষ্ঠিত হ'ব। মিচিং জাতীয় এই ক্ৰীড়া মহোৎসৱৰ সন্দৰ্ভত আয়োজকে আমাৰ সংবাদদাতাক এইদৰে কয় ঃ

**বাইট**

মিচিং সংগঠন টি এম পি কেৰ উদ্যোগত আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য পৃষ্ঠপোষকতাত অনুষ্ঠিত এই মহোৎসৱৰ পৰহিলৈ সামৰণি পৰিব।

০০০০০০০

শিল্পী জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰৰ পৱিত্ৰতা ৰক্ষাৰ বাবে কামৰূপ জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। বিভিন্ন পক্ষ আৰু স্থানীয় ৰাইজৰ সৈতে আলোচনাৰ পাছত জাৰি কৰা নিৰ্দেশনা অনুসৰি জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিত থকা সমাধিস্থলীত দৈনিক পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈকে দৰ্শনাৰ্থীয়ে প্ৰৱেশ কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। এই নিৰ্ধাৰিত সময়ৰ বাহিৰে আন সময়ত কোনো লোকে সমাধিক্ষেত্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। একেদৰে সুৰাসক্ত বা নিচাগ্ৰস্ত লোকে সমাধিক্ষেত্ৰৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিব। সমাধিক্ষেত্ৰৰ আশে-পাশে সুৰা সেৱন আৰু বিতৰণৰ ক্ষেত্ৰতো কঠোৰভাৱে নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যু ঘটনা সন্দৰ্ভত উলুবাৰীৰ চি আই ডি কাৰ্যালয়ত কিছুসময় পূৰ্বে পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰ হাজিৰ হৈছে। আজি বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত দুয়োগৰাকীৰে ভাষ্য গ্ৰহণ কৰিব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্ত বিচাৰি পত্নী গৰিমা শইকীয়া গাৰ্গেও এখন এজাহাৰ দাখিল কৰিছিল। সেই অনুসৰি আজি ভাষ্য প্ৰদানৰ বাবে পত্নী গৰিমা শইকীয়া আৰু ভগ্নী পামী বৰঠাকুৰ চি আই ডি কাৰ্যালয়ত উপস্থিত হৈছে। গোচৰ সংক্ৰান্তত আজি আন কেইবাজনো লোক বিশেষ তদন্তকাৰী গোটৰ সন্মুখত হাজিৰ হৈছে।

০০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত চতিয়াৰ দক্ষিণ অঞ্চলৰ পশ্চিম কটৰআটীৰ বাসিন্দা ফাতেমা বেগম নামৰ এগৰাকী মহিলাৰ ঘৰত যোৱা নিশা দুৰ্বৃত্তৰ দলে ভয় ভাবুকিৰে নগদ ধন আৰু সোণৰ আ-অলংকাৰ লৈ পলায়ন কৰে। চতিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ এই সংক্ৰান্তত তদন্ত আৰম্ভ কৰিছে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................